**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলকাতাৰ বিজয় দুৰ্গৰ সেনা বাহিনীৰ পূব কামাণ্ড মুখ্য কাৰ্যালয়ত সংযুক্ত কমাণ্ডাৰ্ছ সকলৰ সন্মিলন উদ্বোধন কৰিব।

২। প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিহাৰৰ পুৰ্নীয়া জিলাত ৩৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বহুকেইটা প্ৰকল্প মুকলি কৰিব।

৩। ভাৰত ২০৪৭ চনৰ ভিতৰত ৩০ ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ দেশত পৰিণত হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ূষ গোৱেলে প্ৰকাশ কৰিছে।

৪। মহিলাৰ এছিয়া কাপ হকীত ভাৰতে ৰূপৰ পদক জয় কৰিছে। *আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰতে কালি পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলকাতাৰ বিজয় দুৰ্গৰ সেনা বাহিনীৰ পূব কামাণ্ড মুখ্য কাৰ্যালয়ত সংযুক্ত কমাণ্ডাৰ্ছ সকলৰ সন্মিলন উদ্বোধন কৰিব। অহা ১৭ ছেপ্তেম্বৰত এই সন্মিলনৰ সামৰণি পৰিব। তিনিদিনীয়া এই সন্মিলনত প্ৰযুক্তিগত বিকাশ, সেনা বাহিনীৰ তিনিওটা বাহিনীৰ মাজৰ সহযোগিতা, আধুনিকীকৰণৰ লগতে বিশ্বৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত বিভিন্ন বিষয়ত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকিব। প্ৰধানমন্ত্ৰী মোদী দুদিনীয়া উত্তৰ-পূব ভ্ৰমণ সামৰি কালি সন্ধিয়া কলকাতাত উপস্থিত হয় আৰু নিশাটো তেওঁ কলকাতাৰ ৰাজভৱনত কটায়। এই ভ্ৰমণকালত শ্ৰীমোদীয়ে অসমত ১৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিহাৰৰ পুৰ্নীয়া জিলাত ৩৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বহুকেইটা প্ৰকল্প মুকলি কৰিব। তেওঁ লগতে উত্তৰ বিহাৰ নগৰত নতুনকৈ বিকশাই তোলা এটা বিমানবন্দৰ টাৰ্মিনেল মুকলি কৰি সেই খণ্ডৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰিব। এই ভ্ৰমণকালতে তেওঁ ৰাষ্ট্ৰীয় মাখনা পৰিষদ উদ্বোধন কৰিব। চলিত বৰ্ষৰ আৰম্ভণিতে কেন্দ্ৰীয় বাজেটত মাখনা পৰিষদ গঠন কৰাৰ কথা ঘোষণা কৰা হৈছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে মাখনা আৰু বিহাৰৰ বিশেষ সম্পৰ্ক আছে। ৰাষ্ট্ৰীয় মাখনা পৰিষদে এই খণ্ডৰ সৈতে জড়িত বহুসংখ্যক কৃষকক উপকৃত কৰিব বুলি শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২২ ছেপ্তেম্বৰত ত্ৰিপুৰাত মাতা ত্ৰিপুৰাসুন্দৰী মন্দিৰৰ পুনৰ নিৰ্মাণ আৰু সৌন্দৰ্যবৰ্ধন কাৰ্য উদ্বোধন কৰিব। মেলাঘৰত অনুষ্ঠিত নিৰমহল জল উৎসৱৰ সামৰণি অনুষ্ঠানত ত্ৰিপুৰাৰ

মুখ্যমন্ত্ৰী ড০ মাণিক সাহাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ত্ৰিপুৰা চৰকাৰ ৰাজ্যখনৰ সকলোবোৰ মুখ্য পৰ্যটনস্থলীৰ উন্নয়নৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে কয়, যে গোমাটি জিলাৰ বন্দোৱাৰত প্ৰায় ৯৭ কোটি টকা ব্যয় সাপেক্ষে ৫১খন শক্তিপীঠৰ প্ৰতিকৃতি নিৰ্মাণ কৰি থকা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সংস্কৃতি আৰু পৰম্পৰাক সংৰক্ষিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে স্বদেশ দৰ্শন আঁচনিৰ অধীনত নিৰমহলৰ ৰাজঘাটৰো উন্নয়ন কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱসত ঐতিহাসিক লাল কিল্লাৰ প্ৰাচীৰৰ পৰা পোহৰৰ উৎসৱ দিপাৱলীৰ ভিতৰত পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰৰ কথা ঘোষণা কৰিছিল। তেওঁৰ এই দৃষ্টিভংগী বাস্তৱায়িত কৰি ৩ ছেপ্তেম্বৰত জি এছ্ টি পৰিষদে জনসাধাৰণৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে ভালেমান খণ্ডত আৰোপিত কৰ হ্ৰাস কৰিছিল আৰু একাংশ খণ্ডৰ কৰৰ বিলুপ্তি সাধন কৰিছিল। জি এছ্ টি পৰিষদে স্বাস্থ্যসেৱা খণ্ডতো গুৰুত্বপূৰ্ণ সংস্কাৰ সাধনেৰে কৰৰ বোজা হ্ৰাস কৰি জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰিছে। আয়ুৰ্বেদ, উনানী আৰু হোমিঅ'পেথিৰ ঔষধৰ জি এছ্ টি ১২ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিছে। তদুপৰি অন্যান্য চিকিৎসা, দন্ত আৰু পশু চিকিৎসাত ব্যৱহৃত সা-সঁজুলিৰ নতুন জি এছ্ টি পূৰ্বৰ ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ লগতে মেডিকেল গ্ৰেড অক্সিজেনৰ কৰৰ হাৰো ১২ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ঔষধৰ জি এছ্ টি হাৰ হ্ৰাসৰ ফলত ৰোগীসকল বিশেষকৈ কম আয়ৰ পৰিয়ালসমূহ উপকৃত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰত ২০৪৭ চনৰ ভিতৰত ত্ৰিশ ত্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ দেশত পৰিণত হ'ব বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে উল্লেখ কৰে। এটা ব্যক্তিগত সংবাদ মাধ্যমে কালি নতুন দিল্লীত আয়োজন কৰা বাৰ্ষিক' মেডিয়া কনক্লেভ'ত অংশ লৈ মন্ত্ৰী গোৱেলে এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত মুদ্ৰাস্ফিতি নিয়ন্ত্ৰিত হৈছে আৰু সামগ্ৰীৰ খৰছ নিয়ন্ত্ৰণ কৰাটো ২০১৪ চনতে চৰকাৰখনে প্ৰাথমিক অগ্ৰাধিকাৰ বুলি গণ্য কৰিছিল বুলিও তেওঁ উল্লেখ কৰিছিল। চৰকাৰে বিত্তীয় আৰু মুদ্ৰানীতি সন্দৰ্ভত অহৰহ নিৰীক্ষণ কৰিবলৈ ৰিজাৰ্ভ বেংকক দায়িত্ব দিয়া বুলিও মন্ত্ৰী শ্ৰী গোৱেলে প্ৰকাশ কৰিছে। লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশত চৰকাৰে গুৰুত্ব আৰোপ কৰাৰ কথাও মন্ত্ৰী শ্ৰী গোৱেলে প্ৰকাশ কৰে। জি এছ টিৰ সংস্কাৰে কৰ বৱস্থা সৰল কৰিব বুলি তেওঁ এই মেডিয়া এনক্লেভত মন্তব্য কৰে।

০০০০০

সেৱা আৰু সুশাসনৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত চৰকাৰে দেশৰ পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজিৰ এই প্ৰতিবেদনত আমাৰ পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ্যৰ কেনেদৰে পৰিবৰ্তন সাধন হৈছে সেই বিষয়ে আলোচনা কৰিছোঁ। বৈদিক যুগৰ পৰাই 'পৃথিৱী আমাৰ মাতৃ আৰু আমি সকলো পৃথিৱীৰ সন্তান' কথাষাৰ মানি অহা হৈছে। ইয়াৰ ফলত পৰিৱেশৰ সৈতে মানুহৰ সমযোজনৰ নতুন নতুন দিশ উন্মোচিত হৈছে। যোৱা ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই প্ৰাচীন প্ৰজ্ঞাক আৰু অধিক শক্তিশালী আৰু ব্যৱহাৰিক কাৰ্যলৈ ৰূপান্তৰিত কৰা হৈছে। ব্যাঘ্ৰ প্ৰকল্প আৰু সিংহ প্ৰকল্পৰ পৰা অভিলাষী চিতা প্ৰকল্পলৈকে দেশে বন্য প্ৰাণীৰ বাসস্থান শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। এসময়ত বিলুপ্তপ্ৰায় বুলি ভবা বহু প্ৰজাতিও পুনৰুদ্ধাৰ কৰা হৈছে।

বৰ্তমান ভাৰতত বিশ্বৰ ভিতৰত সৰ্বাধিক সংখ্যক বাঘ আছে। এছিয়াটিক সিংহৰ সংখ্যা ৮৯১লৈ বৃদ্ধি পাইছে, যাৰ ফলত যোৱা দশকত এইবিধ প্ৰজাতিৰ সিংহৰ সংখ্য ৭০ শতাংশ বৃদ্ধি পাইছে। আনহাতে চিতাবোৰে সাত দশকৰ পাছত চিতা প্ৰকল্পৰ অংশ হিচাপে ভাৰতৰ মাটিত নতুন পোৱালি জন্ম দিছে।

পৃথিৱীৰ বৃক্ক বুলি অভিহিত কৰা আমাৰ জলাশয়সমূহেও মনোযোগ আকৰ্ষণ কৰা দেখা গৈছে। ভাৰতত বৰ্তমান ৯১টা ৰামছাৰ ক্ষেত্ৰ আছে। এই সংখ্যা এছিয়াৰ ভিতৰতেই সৰ্বাধিক। পৰিভ্ৰমী চৰাই আৰু পৰিৱেশ তন্ত্ৰৰ সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে।

'এক পেড় মা কে নাম' অভিযানত ১৪২ কোটিৰো অধিক গছ ৰোপণ কৰা হৈছে, যিয়ে পৰিৱেশ বিজ্ঞানত বিশেষ প্ৰভাৱ পেলাইছে। ইফালে বনাঞ্চল ক্ৰমাগতভাৱে সম্প্ৰসাৰিত হৈছে।

জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অধীনত চৰকাৰে সকলোৰে বাবে সেউজ, সুস্থ আৰু অধিক সুৰক্ষিত ভৱিষ্যত গঢ়ি তোলাৰ বাবে কাম কৰি আছে।

০০০০০

হাংজৌত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে সুন্দৰ প্ৰদৰ্শনেৰে ৰূপৰ পদক জয় কৰিছে। আয়োজক চীনৰ বিৰুদ্ধে কালি ফাইনেলত ১-৪ গ'লৰ ব্যৱধানত পৰাস্ত হ'লেও ভাৰতীয় দলটোৰ ৰূপৰ পদক অৰ্জনৰ এই যাত্ৰাই খেলুৱৈসকলৰ সংকল্প, সহযোগিতা আৰু প্ৰচেষ্টাকে প্ৰতিফলিত কৰিলে। ভাৰতে খেলখনৰ আৰম্ভণিতে নৱনীত ক'ৰৰ পেনাল্টি কৰ্ণাৰৰ জৰিয়তে সুন্দৰ অগ্ৰগতি লাভ কৰে যদিও খেলখনৰ ২১ মিনিটত চীনে অধিনায়ক ঔ জিজিয়াৰ গ'লৰ সহায়ত সমতা স্থাপন কৰে। খেলখনৰ দ্বিতীয়াৰ্ধত ভাৰতৰ সকলো চেষ্টা ব্যৰ্থ কৰি চীনে পুনৰ তিনিটা গ'লেৰে জয় সুনিশ্চিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় দলক এই জয়ৰ বাবে অভিনন্দন জনাইছে। সমাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দলটোৰ প্ৰদৰ্শনৰ প্ৰশংসা কৰে। তেওঁ লগতে ভাৰতীয় মহিলা হকী দলে দেশক গৌৰৱান্বিত কৰিলে বুলি উল্লেখ কৰে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতে পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ১২৮ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ ৫টা বলত তিনিটা উইকেট হেৰুৱাই ১৩১ ৰান কৰে। অপেনাৰ অভিষেক শৰ্মাই ১৩টা বলত ৩১ ৰান কৰাৰ লগতে অধিনায়ক সূৰ্যকুমাৰ যাদৱ ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ২০ অভাৰত আঠাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৩টা, আৰু জছপ্ৰীত বুমৰাহ আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে। ভাৰত কাইলৈ হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত